بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছীহ পঞ্চম (আইঃ) ২০১৮ চনৰ ১৬ মাৰ্চত মছজিদ বায়তুল ফতুহ লণ্ডনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

তাশ্বাহুদ তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) য়ে এবাৰ চাহাবা ৰিজুৱানুল্লাহে আলায়হিমৰ মৰ্যদা সম্পৰ্কে বৰ্ণাবলৈ গৈ উল্লেখ কৰে যে চাহাবা সকল আছিল আঁহজৰত (ছাঃ) ৰ জীৱণ চৰিতৰ জ্বলন্ত প্ৰমাণ স্বৰূপ। যদি এতিয়া কোনোবাই সেই প্ৰমাণ সমূহ ভিত্তিহীন বুলি ভাৱে তেন্তে আঁহজৰত (ছাঃ) ৰ নবুয়তক ভিত্তিহীন কৰিব বিচাৰিছে। গতিকে সেইজন ব্যক্তিয়েই আঁহজৰত (ছাঃ) ক প্ৰকৃত সন্মান কৰিব পাৰে, যি জনে চাহাবা একৰাম সকলক সন্মান প্ৰকৃতভাৱে কৰে। কাৰণ এনেকুৱা কেতিয়াও হব নোৱাৰে যে আঁহজৰত (ছাঃ) ৰ প্ৰতি আছে ভালপোৱা আৰু চাহাবা সকলৰ প্ৰতি আছে শত্ৰুতা। তেখেত (আঃ) য়ে কৈছে যে; চাহাবা সকলৰ সেই পৱিত্ৰ জমাত আছিল যিয়ে কেতিয়াও নবী (ছাঃ)ৰ পৰা আঁতৰি যোৱা নাছিল। তেখেত (ছাঃ) ৰ বাটত প্ৰাণ আহুতি দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। তেখেত সকলে আঁহজৰত (ছাঃ) ৰ আনুগত্যত এনেকে হেৰাই গৈছিল যে ইয়াৰ বাবে সকলো ধৰণৰ দুঃখ-কষ্ট সহ্য কৰিবলৈ সদায় প্ৰস্তুত আছিল।

গতিকে চাহাবা সকলৰ সেই মৰ্যদা আৰু স্থান প্ৰত্যেক আহমদীয়ে নিজৰ সন্মুখত ৰখা উচিত। চাহাবা সকলৰ জীৱণ চৰিত আমাৰ বাবে আদৰ্শ স্বৰূপ আৰু আমি এয়া নিজৰ জীৱণৰ অংশ বনাই লবলৈ চেষ্টা কৰা উচিত। এতিয়া মই কেইজনমান চাহাবাৰ কিছুমান ঘটনা উল্লেখ কৰিম।

মদিনা চৰিফৰ আবুদ জানা আনছাৰী (ৰাঃ) আঁহজৰত (ছাঃ) ৰ হিজৰতৰ আগতেই ইছলাম গ্ৰহন কৰিছিল। বদৰৰ যুদ্ধত অংগ্ৰহন কৰিছিল আকৌ অহুদৰ যুদ্ধতও অংশ লৈছিল। যুদ্ধৰ গতি সলনি হৈ যোবাৰ সময়ত আন আন চাহাবা সকলৰ সৈতে আঁহজৰত (ছাঃ) ৰ ওচৰত আছিল আৰু আঁহজৰত (ছাঃ) ক ৰক্ষাৰ্থে বেয়াকৈ আঘাত প্ৰাপ্ত হৈছিল যদিও পিছুৱাই যোৱা নাছিল।

তেখেত (ৰাঃ) য়ে ইমামাৰ যুদ্ধত মুছলিম্মা কাজ্জাবৰ বিৰুদ্ধে কৰা যুদ্ধত শ্বহীদ হৈ যায়। তেখেতে বৰ বীৰত্বৰ সৈতে দুৰ্গৰ দুৱাৰ খুলিবলৈ গৈ ভিতৰত আৰব্ধ হৈ পৰিছিল। আবুদজানা (ৰাঃ) য়ে লগৰীয়া সকলক কৈছিল যে মোক দেৱালৰ ওপৰেদি ভিতৰলৈ দলিয়াই দিয়া, মই গৈ দুৰ্গৰ দুৱাৰ খুলি দিম। সেই মতেই তেখেতক দেৱালৰ ওপৰেদি দলিয়াই দিয়াত, ভিতৰত গৈ পৰি এখন ভৰি ভাঙি যায়, তথাপি দুৰ্জয় সাহসেৰে যুঁজি গৈ দুৰ্গৰ দুৱাৰ খুলি দিয়ে আৰু মুছলমান সৈন্য ভিতৰ সোমাই যায়। এনেদৰে যুঁজ দি অৱশেষত শ্বহীদ হৈ যায়। এবাৰ তেখেত বেমাৰ থকা অৱস্থাত লগৰীয়া সকলক কৈছিল যে. সম্ভৱত আল্লাহ তায়লা মোৰ দুটা আমল কবুল কৰিব। তাৰে এটা হ'ল এয়া যে মই কোনো বেয়া কথা কোৱা নাই, অপবাদ ৰটনা কৰা নাই আৰু কোনো মুছলমানলৈ মোৰ হৃদয়ত হিংসা নাই।

আন এজন চাহাবী আছিল হজৰত মহম্মদ বিন মুছলমাহ (ৰাঃ) তেখেত বৰ নিৰ্ভয় প্ৰকৃতিৰ মানুহ আছিল। অহুদৰ যুদ্ধত সুপ্ৰতিষ্ঠিত ভাৱে আঁহজৰত (ছাঃ) ৰ লগত আছিল। আঁহজৰত (ছাঃ) য়ে এবাৰ তেখেত (ৰাঃ) ক নিজৰ তৰোৱালখন প্ৰদান কৰি কৈছিল যে যেতিয়ালৈকে মুশৰেকিন সকলৰ সৈতে তোমাৰ যুদ্ধ কৰিব লগা হয়, এই তৰোৱালেৰে যুদ্ধ কৰিবা আৰু যেতিয়া এনেকুৱা সময় উপস্থিত হয় যে মুছলমান সকলে পৰস্পৰে যুদ্ধত লিপ্ত হয় তেতিয়া এইখন তৰোৱাল ভাঙি পেলাবা আৰু নিজৰ ঘৰত বহি থাকিবা, যদিও তোমাৰ ওপৰত কোনো আক্ৰমন হয় বা তোমাৰ মৃত্যু হয়। তেখেত (ৰাঃ) য়ে উক্ত নিৰ্দেশ মৰ্মেই কাম কৰিছিল আৰু হজৰত উচমান (ৰাঃ) ৰ শ্বাহাদতৰ পিছত উক্ত তৰোৱাল খন ভাঙি পেলাইছিল আৰু এটা কাঠৰ তৰোৱাল বনাই মিয়ানত (খাপ) ৰাখিছিল। কিছুমান চাহাবায় কৈছে যে হজৰত উচমান (ৰাঃ) ৰ শ্বাহাদতৰ পিছত মুছলমান সকলৰ মাজত যি দ্বন্ধ আৰম্ভ হৈছিল সেয়াই একমাত্ৰ মহম্মদ বিন মুছলমাক আক্ৰান্ত কৰিব নোৱাৰিছিল। তেখেতে গৈ জনশূন্য ঠাইত ঢেৰা বান্দি থাকিবলৈ লৈছিল।

এই লোক সকলেই আছিল সেই লোক যি সকলে যুদ্ধ কৰিছিল একমাত্ৰ এই কাৰণেই যে আঁহজৰত (ছাঃ) য়ে কৈছিল যে মুশৰেকিন সকলে দ্বীনৰ বিনাশ কৰিবলৈ আক্ৰমন চলাইছে গতিকে সিহঁতৰ সৈতে যুঁজ দিয়া। যেতিয়ালৈকে মুছলমান সকলে এই

বিষয়টোৰ ওপৰত প্ৰতিষ্ঠিত আছিল তেতিয়ালৈকে এওঁলোকৰ শক্তি অটুট আছিল আৰু যুদ্ধত জয়লাভ কৰিছিল। কিন্তু যেতিয়া পৰস্পৰে দ্বন্ধত লিপ্ত হৈ পৰিছিল আৰু মুনাফিক সকলৰ কথা শুনি এজনে আনজনৰ শিৰচ্ছেদ কৰিবলৈ ধৰিছিল, শক্তি, শাসন আদিৰ পতন ঘটিবলৈ ধৰে আৰু একতাৰ বিনষ্ট সাধন হৈ যায়। আজিও আমি দেখিবলৈ পাইছো যে মুছলমান সকলৰ মাজত চৰম মতবিৰূধ হৈছে আৰু আঁহজৰত (ছাঃ) ৰ সেই ভৱিষ্যতবাণী পূৰ্ণ হবলৈ লৈছে যে, এক অন্ধকাৰ যুগৰ পিছত যেতিয়া মছিহ মাওউদ (আঃ) ৰ আলোকিত যুগ আহে তেতিয়া মছিহ মাওউদ (আঃ) ক মানি লবা আৰু তাৰ জমাতত চামিল হৈ যাবা কাৰণ তাতেই কল্যাণ নিহিত আছে। কিন্তু আজি সেই আহিবলগীয়া জনক নামানি মুছলমান সকলে নিজৰ মাজতে এজনে আনজনক হত্যা কৰাৰ আগ্ৰহী হৈ পৰিছে। এই কাৰণেই হয়তো আজি অমুছলিম দুনীয়ায় মুছলমান সকলৰ ওপৰত শাসন চলাবলৈ লৈছে।

আন এজন সৌভাগ্যশীল চাহাবী আছিল হজৰত আবু আয়োব আনছাৰী (ৰাঃ)। যিজনে প্ৰথম আঁহজৰত (ছাঃ) ক মদিনাত হিজৰত কৰাৰ পিছত নিজৰ ঘৰত ঠাই দিয়াৰ সৌভাগ্য লাভ কৰিছিল। নিজৰ ঘৰৰ ওপৰ মহলত আবুআয়োব আনছাৰী থাকিছিল আৰু তলৰ মহলত থাকিবলৈ আঁহজৰত (ছাঃ) ক প্ৰদান কৰিছিল। প্ৰায় ছয়, সাত সপ্তাহ আঁহজৰত (ছাঃ) সেই ঘৰত আছিল। তেখেত (ৰাঃ) য়ে বৰ মনযোগেৰে সৈতে অতিথি সেৱাৰ দায়িত্ব পালন কৰিছিল। আঁহজৰত (ছাঃ) য়ে খোৱাৰ পিছত ৰাহি হোৱা খাদ্য তেখেতে খাইছিল। উল্লেখ আছে যে হুযুৰ (ছাঃ) য়ে খাদ্যৰ বৰ্ত্তনত যি ঠাইত নিজে হাতেৰে খোৱাৰ চিহ্ন থাকিছিল, বেছি হোৱা খাদ্য আনছাৰী (ৰাঃ) য়ে সেই চিহ্ন থকা ঠাইৰ পৰা খাইছিল। এয়া হ'ল বৰ আশ্চৰ্য্যজনক প্ৰেম-ভালপোৱাৰ কাহিনী।

হজৰত আবু আয়োব আনছাৰী সকলো যুদ্ধতেই অংশগ্ৰহন কৰিছিল। খয়বৰৰ যুদ্ধত এজন ইহুদী চৰদাৰৰ মৃত্যু হৈছিল, তাৰ জীয়েক চুফিয়াৰ আঁহজৰত (ছাঃ) ৰ সৈতে নিকাহ হয়। নিকাহৰ আগৰ দিনা ৰাতিপূৱা যেতিয়া আঁহজৰত (ছাঃ) য়ে নমাজ পঢ়াবলৈ বাহিৰ ওলায় আহে তেতিয়া দেখিবলৈ পায় যে আবু আয়োব আনছাৰী বাহিৰত পহৰা দি আছে। তেখেত (ছাঃ) য়ে তেখতক সুধে যে তুমি কিহৰ বাবে বাহিৰত পহৰা দিবলৈ থিয় দি আছা ? আবু আয়োব আনছাৰী উত্তৰ দিয়ে যে হজৰত চুফিয়াৰ আত্মীয় সকলৰ বহুত লোকচান হৈছে সেয়ে মোৰ মনত ভাৱ হ'ল কোনোবাই আহি ইয়াৰ প্ৰতিশোধ লোৱাৰ চেষ্টা কৰিব পাৰে। সেই কাৰণে মই পহৰা দি আছো। তেতিয়া আঁহজৰত (ছাঃ) য়ে আনছাৰী (ৰাঃ) ৰ বাবে দোৱা কৰে যে হে আল্লাহ আবু আয়োবক সদায় হিফাজত আৰু শান্তিত ৰাখিবা, যেনেকৈ তেওঁ মোৰ হিফাজতৰ বাবে গোটেই ৰাতি ব্যাস্ত থাকিছে। আঁহজৰত (ছাঃ) ৰ এই দোৱাৰ ফজিলতত আবু আয়োব সকলো যুদ্ধতেই বিজয়ী হৈ আহিছিল আৰু দীঘলীয়া জীৱণ লাভ কৰিছিল।

আঁহজৰত (ছাঃ) ৰ আন এজন চাহাবা আছিল হজৰত আব্দুল্লাহ বিন ৰওৱাহা। যিজন আৰবৰ এজন বিখ্যাত শ্বায়েৰ আছিল। তেওঁক সকলোৱে শ্বায়েৰে ৰছুল বুলি জানিছিল। বদৰৰ যুদ্ধ শেষ হোৱাৰ পিছত জয়লাভৰ সংবাদ তেওঁৰেই প্ৰথম মদিনাত পোছাইছিল। হজৰত উৰ্বহ (ৰাঃ) য়ে উল্লেখ কৰিছিল যে এবাৰ আঁহজৰত (ছাঃ) য়ে এখন বৈঠ্যকৰ ওচৰেদি পাৰ হৈ গৈছিল, যি বৈঠ্যকত মুছলমান, মুশৰেকিন আৰু ইহুদী লোক সকলে মিলি বহিছিল। সেই বৈঠ্যকত আব্দুল্লাহ বিন ৰওৱাহাও উপস্থিত আছিল। যেতিয়া তেখেত (ছাঃ) সেই বৈঠ্যকৰ ওচৰ চাপি গৈছিল তেতিয়া আৰোহীত জন্তুৰ চলনত সামান্য ধুলি উৰি যায়। আব্দুল্লাহ বিন আহি নিজৰ চাদৰেৰে নাক ঢাকিলৈ কয় যে আমাৰ ওপৰত ধুলি নিদিবা। নবী কৰিম (ছাঃ) য়ে তেওঁক আচ্ছালামু আলায়কুম কয় আৰু তেওঁক আল্লাহ তায়লাৰ ফালে মাতে আৰু কোৰ'আন পঢ়ি শুনায়। তেতিয়া আব্দুল্লাহ বিন আবি কবলৈ ধৰে যে, এয়া ভাল কথা নহয়, তুমি যি কৈছা সেয়া সত্য; তথাপি আমাৰ বৈঠ্যকত তুমি আমাক অসুবিধা নিদিবা। তুমি তোমাৰ ঘৰলৈ ঘুৰি যোৱা আৰু যিজন তোমাৰ ওচৰলৈ আহে তাক এইবোৰ শুনাবা। তেতিয়া হজৰত আব্দুল্লাহ বিন ৰওৱাহা আবেদন জনায় যে ইয়া ৰছুলুল্লাহ আপুনি আমাৰ বৈঠ্যকলৈ আহক, আমি এয়া পছন্দ কৰো। এয়াই আছিল প্ৰেম ভালপোৱাৰ অজানিত বহিঃপ্ৰকাশ যি আব্দুল্লাহ বিন ৰওৱাহা কৰিছে, তেওঁ চৰদাৰ আৰু দুনীয়াদাৰ সকলক ভ্ৰূক্ষেপ কৰা নাই। হজৰত ইবনে আববাছৰ পৰা ৰোৱায়েত আছে যে এখন যুদ্ধত আঁহজৰত (ছাঃ) য়ে চাহাবা সকলক পঠাইছিল, তাত আব্দুল্লাহ বিন ৰওৱাহাও আছিল। ইবনে আববাছ কয় যে মই পিছত ৰৈ গৈছিলো, ভাৱিছিলো জুমাৰ নামাজ ৰছুলুল্লাহ (ছাঃ) ৰ লগত আদায় কৰি তাৰ পিছত সিহঁতক গৈ লগ ধৰিম। নামাজৰ শেষত যেতিয়া ৰছুলুল্লাহ (ছাঃ) তেখেতক দেখিছিল তেতিয়া তেওঁক সুধিছিল যে, তোমাক কিনো বস্তুয়ে লগৰীয়া হঁতৰ সৈতে যোৱাত বাধা দিছে। তেওঁ উত্তৰ দিছিল যে ইয়া ৰছুলুল্লাহ, মোৰ বৰ ইচ্ছা আছিল যে জুমাৰ নামাজত হুযুৰৰ খোতবা শুনিলৈ পিছত গৈ সিহঁতক বাটতে লগ ধৰিম। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে জমিনত যিমান যি আছে যদি সেয়া সকলো তুমি খৰচ কৰি পেলোৱা তথাপি যি সকলে নিৰ্দেশ অনুযায়ী পূৱাতে যুদ্ধৰ বাবে যাত্ৰা কৰি আগতে ওলাই গৈছে, সেই নেকি তুমি কেতিয়াও লাভ কৰিব নোৱাৰা। উল্লেখ আছে যে হজৰত আব্দুল্লাহ বিন ৰওৱাহা

সকলো যুদ্ধতে প্ৰথমতে যোৱা দলৰ লগত চামিল হৈছিল আৰু একেবাৰে শেষত মদিনালৈ ওভতি আহিছিল।

হজৰত আৰোৱাহ বিন জুবেইৰৰ পৰা ৰেৱায়েত আছে যে ৰছুলুল্লাহ (ছাঃ) য়ে মুতাৰ যুদ্ধত হজৰত জায়েদ বিন হাৰছাক সেনা নায়ক পাতি দিয়ে আৰু কয় যে যদি এওঁ শ্বহীদ হৈ যায় তেন্তে হজৰত জাফৰ বিন আবি তালিব সেনা নায়ক হ'ব, যদি তেওঁ শ্বহীদ হৈ যায় তেন্তে হজৰত আব্দুল্লাহ বিন ৰোৱাহা এই চৰদাৰী দায়িত্ব পালন কৰিব। যদি আব্দুল্লাও শ্বহীদ হৈ যায় তেন্তে মুছলমান সকলে যাক পছন্দ কৰে তাকেই নিজৰ সেনা নায়ক পাতি লব। সেই সৈন্য বাহিনী যুদ্ধলৈ যাত্ৰা কৰাৰ সময়ত হজৰত আব্দুল্লাহ বিন ৰোৱাহা কান্দিবলৈ ধৰিলে। লোকে কবলৈ ধৰে যে আব্দুল্লাহ কিয় কান্দিছে। আব্দুল্লাহ কয় যে খোদাৰ শপত মোৰ জগতলৈ কোনো ভালপোৱা নাই, কিন্তু মই আঁহজৰত (ছাঃ) ৰ পৰা এই আয়াত وَإِنْ مِّنْكُمْ إِلَّا وَارِدُهَا ۚ كَانَ عَلَىٰ رَبِّكَ حَتْمًا مَّقْضِيًّا সম্পৰ্কে শুনিছো যে প্ৰত্যেকেই নিশ্চয় এবাৰ অগ্নিৰ মুখামুখি হ'ব লাগিব। গতিকে মই নাজানো যে পুল ছিৰাত পাৰ হৈ যোৱাৰ পিছত মোৰ কি অৱস্থা হ'ব। আল্লাহ তায়লাৰ ভয় ৰাখোতা সকললৈ আঁহজৰত (ছাঃ) য়ে উত্তম ফলাফলৰ খবৰ দিছে তাৰো উল্লেখ পোৱা যায় যেনেকৈ আঁহজৰত (ছাঃ) য়ে মুতাৰ যুদ্ধৰ সেনা নায়ক সকলৰ বিষয়ে কৈছে যে, মই তেওঁলোকক জান্নাতত সোনৰ আসনত বহি থকা দেখিবলৈ পাইছো।

যুদ্ধ ক্ষেত্ৰত হজৰত আব্দুল্লাহ বিন ৰোৱাহা বৰ বীৰত্বৰ পৰিচয় দিছিল। মুছাব বিন শ্বায়বা বৰ্ণনা কৰিছে যে যেতিয়া হজৰত জায়েদ (ৰাঃ) আৰু হজৰত জাফৰ (ৰাঃ) শ্বহীদ হৈ যায় তেতিয়া হজৰত আব্দুল্লাহ বিন ৰোৱাহা ময়দানত আগলৈ আহি নেতৃত্ব দিয়ে। যেতিয়া তেখেতৰ গাত বল্লমৰ আঘাত লাগে ধাৰাসাৰে তেজ ববলৈ ধৰে তেতিয়া সেই তেজ নিজৰ হাতত লৈ মুখমণ্ডলত লগাই দিয়ে। তাৰ পিছত তেখেতে শত্ৰু পক্ষ আৰু মুছলমান সৈন্যৰ মুখামুখী হোৱা শাৰীৰ মাজত বাগৰি পৰে। কিন্তু শেষ নিশ্বাস লৈকে এজন সেনা নায়ক হিচাপে মুছলামন সকলক সাহস দি থাকে আৰু উদ্ভ্ৰান্ত কণ্ঠে মুছলমান সকলক উৎসা যোগাই সহায়ৰ বাবে মাতে যে চোৱা, হে মুছলমান সকল, তোমালোকৰ ভায়েকৰ লাচ শত্ৰুৰ আগত পৰি আছে, আগুৱাই আহা, আৰু শত্ৰুৰ নিজৰ ভায়েকৰ বাটৰ পৰা আঁতৰাই দিয়া। এনেতে মুছলমান সকলে বিক্ৰমেৰে শত্ৰুৰ ওপৰত জপিয়াই পৰে আৰু আক্ৰমণৰ ওপৰত আক্ৰমন চলায়। সেই সময়তেই আব্দুল্লাহ (ৰাঃ) শ্বহীদ হৈ যায়।

আব্দুল্লাহ দুই ৰাকাত নফল নামাজ নপঢ়ালৈকে ঘৰৰ বাহিৰ ওলোৱা নাছিল আকৌ ঘৰত ঘুৰি আহিলে প্ৰথমে অজু কৰি দুই ৰাকাত নফল নামাজ পঢ়ি লৈছিল। হজৰত আবু লাইলা বৰ্ণনা কৰিছে যে এবাৰ আঁহজৰত (ছাঃ) য়ে খোতবা পাঠ কৰি থকা সময়ত কয় যে  হে লোক সকল বহি যোৱা তেতিয়া আব্দুল্লাহ বিন ৰোৱাহা খোতবা শুনাৰ বাবে আহি আছিল আৰু তেখেতে এয়া শুনি বাহিৰতেই বহি গৈছিল। আঁহজৰত (ছাঃ) য়ে তেখেতক উদ্দেশ্য কয় যে, زَادَكَ اللّٰهُ حِرْصًا عَلٰى طَوْعِيَةِ اللّٰهِ وَطَوْعِيَةِ الرَّسُوْلِ হে আব্দুল্লাহ বিন ৰোৱাহা, আল্লাহ তায়লা তোমাৰ এই আল্লাহ আৰু ৰছুলৰ আনুগত্যৰ প্ৰেৰণা আৰু বঢ়াই দিয়ক।

তেখেত (ৰাঃ) বৰ প্ৰখ্যাত আৰু উচ্চ মৰ্যদাৰ শ্বায়েৰ আছিল। আঁহজৰত (ছাঃ) ৰ দৰবাৰত থকা শ্বায়েৰ হজৰত কাআব বিন মালিক আৰু হজৰত হাছান বিন ছাবিতৰ ওপৰিও এওঁ এজন মৰ্যদা সম্পন্ন শ্বায়েৰ আছিল। হজৰত আব্দুল্লাহ আঁহজৰত  (ছাঃ) ক উদ্দেশ্য কৈছে যে মহম্মদ (ছাঃ) ৰ ওচৰত যদি সত্য প্ৰকাশ কৰিবলৈ কোনো স্পষ্ট প্ৰমাণ নাথাকিলহেঁতেন তেন্তে তেখেত (ছাঃ) ৰ চেহেৰাই তেখেতৰ সত্যতাৰ যথেষ্ট প্ৰমাণ স্বৰূপ আছিল, যিয়ে নিজে নিজেই তেখেত (ছাঃ) ৰ সত্যতাৰ ঘোষণা কৰি গৈছিল। এইজন সত্য প্ৰেমিকেই আঁহজৰত (ছাঃ) ক দৰ্শন কৰিয়ে সত্যক চিনি পাইছিল।

আকৌ ইতিহাসত নিচেই কম বয়সৰ দুজন ভায়েকৰ আশ্বৰ্য্যজনক সাহস সম্পৰ্কে উল্লেখ আছে। মাআজ আৰু মোআজ বিন হাৰিছ বিন ৰফতাহ। যি সকলে বদৰৰ যুদ্ধ অংশ লৈছিল। হজৰত আব্দুৰ ৰহমান বিন অউফ (ৰাঃ) বৰ্ণনা কৰিছে যে, যেতিয়া যুদ্ধৰ আৰম্ভনী হৈছিল, মই মোৰ সোঁৰে, বাওঁৰে লক্ষ্য কৰি দেখা যে আনছাৰৰ দুজন ডেকা মোৰ কাষত থিয় হৈ আছে। মই তেতিয়া চিন্তা কৰিছিলো যে এই ল'ৰা দুজনে মোৰ কি ৰক্ষণা কৰিব। সেই ল'ৰা দুজনৰ এজনে মোক লাহেকৈ সুধিলে যে খুৰাদেউ সেই আবু জেহেল ক'ত আছে ? যিজনে মক্কাত আঁহজৰত (ছাঃ) ক বহুত কষ্ট দিছিল। মই খোদা তায়লাৰ শপত লৈছো যে মই তাক হত্যা কৰিম অথবা হত্যা কৰাৰ চেষ্টাত মই নিজেই মৰিম। কয় যে মই তাৰ উত্তৰ দিওঁতে নিদিওঁতেই আনজন ল'ৰাই বেলেগ ফালৰ পৰা তেনেকৈ প্ৰশ্ন কৰে যে আবু জেহেল কোন জন ? মই সিহঁতৰ সাহস দেখি আশ্বৰ্য্য হৈ গলো কাৰণ আবু জেহেল আছিল সেনাপতি, তাৰ চাৰিওফালে সৈন্য প্ৰস্তুত হৈ আছিল। মই হাতেৰে ইংগিত দি কৈছিলো যে সেই জন আবু জেহেল। আব্দুৰ ৰহমান (ৰাঃ) য়ে কয় যে

মই ইংগিত কৰাৰ লগে লগে দুয়োজনে হেন চৰাইৰ দৰে বেগেৰে শত্ৰু সেনাৰ শাৰী অতি ক্ৰম কৰি তাত গৈ উপস্থিত হয় আৰু প্ৰৱল বেগেৰে আঘাত হানে, আবু জেহেল সেয়া তলকিবই নোৱাৰে আৰু আঘাত লাগি ঘোঁৰাৰ পৰা মাটিত পৰি যায়। আক্ৰামাৰ দেউতাক আবু জেহেলৰ লগতেই আছিল। তেওঁ দেউতাকক বচাঁব নোৱাৰি পিছ ফালৰ পৰা মাআজক আঘাত কৰে আৰু সোঁহাতখন কাটি যায়। কাটি যোৱা হাত খনে মাআজৰ অস্ত্ৰ চলোৱাত বাধাৰ সৃষ্টি কৰিছিল সেয়ে আনখন হাতেৰে সেয়া ছিঙি পেলাই দি এখন হাতেৰে যুদ্ধ চলাই গৈছিল আৰু অৱশেষত শ্বহীদ হৈ গৈছিল। ঈমানৰ উদ্বীপনা আৰু আঁহজৰত (ছাঃ) ৰ প্ৰেমে বালক দুজনক নিৰ্ভীক বনাই দিছিল। এওঁলোকে আজি কালিৰ জিহাদী সকলৰ দৰে নাছিল। আমি আজি পৃথক হৈ যোৱা সত্ত্বেও যদি শত্ৰুয়ে আমাক শান্তিত থাকিব দিয়া নাই তেন্তে আমি সকলো ধৰণৰ ত্যাগ স্বীকাৰ কৰি কোৰবাণী কৰা উচিত। গতিকে বৰ্তমানৰ জিহাদীৰ সৈতে সেই জিহাদী সকলৰ বহুত পাৰ্থক্য আছে। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে; মই আদৰ্শ মোৰ জমাতত দেখিব বিচাৰো যে আল্লাহ তায়লাক এওঁলোকে প্ৰাধান্য দিব আৰু কোনো বিষয় এটা যেন তাৰ বাটত বাধাৰ সৃষ্টি নহয়। মই দেখি আছো যে কিছুমান লোকে লিখি পঠায় যে ব্যৱসায় বাণিজ্যত লোকচান হৈছে নাইবা কোনো সমস্যাত পৰিছে তৎক্ষণাত সন্দেহত ভুগিছে যে আমি মছিহ মাওউদক মানিলৈ ভুল কৰিলো নেকি। উল্লেখ কৰে যে এনেকুৱা ক্ষেত্ৰত বা অৱস্থাত সকলোৱে বুজিব পাৰে যে আচল বিষয় আৰু উদ্দেশ্যৰ পৰা তেওঁ কিমান দুৰত আছে। চিন্তা কৰি চোৱা যে তেওঁলোকৰ আৰু চাহাবা সকলৰ মাজত কিমান পাৰ্থক্য আছে। চাহাবা সকলে বিচাৰিছিল যে আল্লাহ তায়লা সন্তুষ্ট হওঁক, হয়তো আমি তাৰ বাটত যিমানেই দুঃখ-কষ্ট স্বীকাৰ কৰিব লাগে, লাগক, ইয়াৰ বাবে তেওঁলোকে সদায় সমস্যাৰ সন্মুখীন হবলৈ সাজু থাকিছিল। তেওঁলোকে বুজি পাইছিল যে এই সমস্যা আৰু বিপদ সমুহৰ আঁৰত আল্লাহ তায়লাৰ সন্তুষ্টিৰ চাবি-কাঠি আৰু ভঁৰাল লুকাই আছে।

তেখেত (আঃ) য়ে আকৌ কৈছে যে কো'আন শ্বৰিফ তাৰ প্ৰশংসাৰে ভৰপূৰ, খুলি পঢ়ি চোৱা। চাহাবা সকলৰ মৰ্যদা সম্পৰ্কে কোৰ'আন কৰিমত উল্লেখ আছে مِنۡهُمۡ مَّنۡ قَضٰی نَحۡبَهٗ وَمِنۡهُمۡ مَّنۡ یَّنۡتَظِرُ۔ অৰ্থাৎ সিহঁতৰ মাজত কিছুমানে শ্বাহাদত লাভ কৰিছে আৰু তেওঁলোকে আচল উদ্দেশ্য সাধন কৰিছে আৰু কিছুমানে (শ্বাহাদতৰ) অপেক্ষাত আছে। তেখেত (আঃ) য়ে কৈছে যে মই যেতিয়া চাহাবা সকলৰ আদৰ্শ দেখো তেতিয়া আঁহজৰত (ছাঃ) ৰ পৱিত্ৰ শক্তিৰ পৰিপূৰ্ণ কল্যাণ অজানিতেই স্বীকাৰ কৰি লওঁ যে তেখেত (ছাঃ) য়ে কেনেদৰে তেওঁলোকক পৰিবৰ্ত্তন কৰি খোদা মূখী কৰি পেলাইছিল। اللهم صل على محمد و على آل محمد و بارک و سلم۔

তেখেত (আঃ) য়ে কৈছে যে আমাৰ এয়া ফৰজ হোৱা উচিত যে আমি যেন আল্লাহ তায়লাৰ সন্তুষ্টি নিজৰ আচল উদ্দেশ্য নিৰ্দ্ধাৰণ কৰি লওঁ। আল্লাহ তায়লা আমাক এই ফৰজ আদায় কৰাৰ তৌফিক দান কৰক। খোতবাৰ শেষত হুযুৰ (আইঃ) য়ে মকৰৰম আলহাজ ইছমাইল বি,কে আডু চাহাবৰ নামাজে জানাজা গায়েব পঢ়াৰ ঘোষণা কৰে ইন্নালিল্লাহি ওয়া ইন্না ইলায়হি ৰাজিউন।

**********

| Assamese Khulasa Khutba Jumma Huzoor Anwar 16 March 2018 |
|---|
| **BOOK POST (PRINTED MATTER)** |
| **To** |
| ---------------------------------------------------------------- |
| ---------------------------------------------------------------- |
| ---------------------------------------------------------------- |
| ---------------------------------------------------------------- |
| From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/N- IV, Bongaigaon Assam 783384. # 7086177737 |